কামৰূপৰ দামপুৰত ড্ৰাগ ব্যৱসায়ীক সুৰক্ষা দিছে কোনে

'আমাৰ অসম'ৰ গুৱাহাটীস্থিত প্ৰতিবেদক ৩১ মে' ঃ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত অসম আৰক্ষীয়ে ঘিটো সময়ত সমগ্ৰ অসম ড্ৰাগছ মুক্ত কৰাৰ বাবে দিনে নিশাই ড্ৰাগছ ব্যবসায়ৰ লগত জড়িত সকলক চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰাৰ লগতে ব্যাপক পৰিমাণৰ ড্ৰাগছ আৰু নিচা জাতীয় সামগ্ৰী ধৰা পেলাবলৈ সক্ষম হৈছে সেই সময়তে কামৰূপ জিলাৰ দামপুৰত এজন ঘায়িত্বশীল গাঁওবুঢ়াই নিজৰ এলেকাৰ ড্ৰাগছ ব্যবসায়ৰ লগত জড়িতক বক্ষণাবেক্ষণা দিয়াৰ এক গুৰুতৰ অভিযোগ উত্থাপন হৈছে। উল্লেখ যে, অভি কিছুদিন পূৰ্বে ড্ৰাগছব্যবসায় লগত জড়িত থকাৰ অভিযোগত দামপুৰ অঞ্চলৰ কেবাজনো যুবকক হাজোৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। তাৰ লগত সহায়ক হিচাবে অজিল বাজল আলী(২৭)।কিন্তু যুবক স্থানীয় গাওবুঢ়া চুলেমান আলীৰ সম্বন্ধীয় হোৱাৰ বাবেই যুবকজনক বক্ষণাবেক্ষণা দি আৰক্ষীৰ কবলৰ পৰা মুক্ত কৰি বখা বুলি জানিব পৰা গৈছে। শেহতীয়াভাবে যুবকজনে উক্ত অঞ্চলত চোৰাংকৈ এ এচ ২৫ পি ৯৬৭৮ নম্বৰৰ স্কুটিবে ড্ৰাগছ বিক্ৰী কৰি আছে যদিও বৰ্তমানলৈকে আৰক্ষীয়ে কোনো ব্যবস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। স্থানীয় বাইজে এই সকল ড্ৰাগছ সৰবাহকাৰীক শীঘ্ৰে চিনাক্ত কৰি আৰক্ষী প্ৰশাসনক সমগ্ৰ দামপুৰ অঞ্চল ড্ৰাগছ মুক্ত কৰিবলৈ আহ্বান জনাইছে।

কুমাৰীকাটা গাঞ্জাসহ যুবক আটক

'আমাৰ অসম'ৰ তামুলপুৰৰ প্ৰতিবেদক, ৩১ মে' ঃ সমগ্ৰ ৰাজ্যত ড্ৰাগছ আৰু মাদক দ্ৰব্য ব লগতে ভিত্তোৰ অসামাজিক কাম কাজ আছে তাৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলোৱাৰ কৰাৰ সময়তে তামুলপুৰ মহকুমাতো এই যুঁজখন আৰক্ষীয়ে তৎপৰতাবে আৰম্ভ কৰিছে। আজি কুমাৰীকাটা আৰক্ষীৰ অভিযানত তামুলপুৰৰ কুমাৰীকাটা ত জব্দ বৃহৎ পৰিমাণৰ গাঞ্জা। কুমাৰীকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নীলজ্যোতি নাথে এক গোপন সূত্ৰৰ পম খেদি কুমাৰীকাটা বজাৰত চলোৱা এক অভিযানৰ অন্তত ৯ কিলো ওজনৰ গাঞ্জা উদ্ধাৰ কৰিবলৈ সক্ষম হোৱাৰ লগতে এজন যুবক আটক

গাঞ্জা ব্যৱসায়ী জ্বালত পৰিল

কৰিবলৈ সক্ষম হয়। ঘটনাৰ বিবৰণী মতে আজি দুপৰীয়া ১২ মান বজাত এখন নম্বৰ প্লেটবিহীন মটৰ চাইকেলেৰে ওদালগুৰি পৰা কুমাৰীকাটালৈ আহি থকা অৱস্থাত কুমাৰীকাটাত গাঞ্জাসহ আটক কৰে এমৰুছ নাৰ্জাৰী নামৰ যুবকজনক। ইতিমধ্যে কুমাৰীকাটা আৰক্ষীয়ে গাঞ্জাখিনি জব্দ কৰাৰ লগতে আটকাধীন যুবকজনক জেৰা অব্যাহত ৰাখিছে। জেৰাৰ অন্তত যুবকজনক প্ৰেৰণ কৰা হ'ব ন্যায়িক জিম্মালৈ। ধৃত যুবকজনৰ ঘৰ ওদালগুৰি জিলাৰ বৌতা আৰক্ষী থানাৰ অন্তৰ্গত ২ নং মেৰাবিল নামৰ গাঁৱত বুলি জানিব পৰা গৈছে।

VALLEY HOSPITAL
G. S. Road, Mathura Nagar, Guwahati
Pin-781022

GNRC
Quality • Value • Trust

Stay Safe, Stay Healthy

0361 2320302
0361 2320303

GNRC COVID-CARE CALL CENTR